**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 03-Feb-2026
**Time :** 0755 HRS

***Assamese Morning Bulletin***

——————————————

অহা ২৭ ফেব্ৰুৱাৰীৰ পূৰ্বে ৰাজ্যৰ শিক্ষা, কৃষি আৰু লোকনিৰ্মাণ বিভাগত পুনৰ ৫ হাজাৰ পদত নিযুক্তি দিয়া হ'ব। মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই কালি ভাৰ্চুৱেল ব্যৱস্থাৰে ৬৭টা বিদ্যালয় ভৱন উদ্বোধন কৰাৰ লগতে ৬২টা নতুন বিদ্যালয় ভৱনৰ আধাৰশিলা স্থাপন কৰাৰ পাছত সাংবাদিকৰ আগত এই বিষয়ে প্ৰকাশ কৰে। তেওঁ কয়, যে কেইবাটাও বিভাগত নিযুক্তিৰ বাবে সাক্ষাৎকাৰ প্ৰক্ৰিয়া চলি আছে। প্ৰাথমিক শিক্ষা বিভাগত চাৰি হাজাৰতকৈ অধিক পদত নিযুক্তি প্ৰক্ৰিয়া চলি আছে বুলি মুখ্যমন্ত্ৰীয়ে জানিবলৈ দিয়ে।

***বাইট***

স্বচ্ছ নিযুক্তি প্ৰক্ৰিয়াৰ অংশ হিচাপে ৰাজ্য চৰকাৰে ১ লাখ ৫৬ হাজাৰ যুৱক-যুৱতীক নিযুক্তি দিছে বুলি মুখ্যমন্ত্ৰীয়ে জানিবলৈ দিয়ে। এ ডি আৰ ইৰ জৰিয়তে তৃতীয় আৰু চতুৰ্থ বৰ্গৰ নিযুক্তি সম্পন্ন কৰাৰ পাছত চলিত মাহত নিযুক্তিৰ সংখ্যাই ১ লাখ ৭৫ হাজাৰ অতিক্ৰম কৰিব বুলি মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰে।

০০০০০০

ৰে'ল বিভাগে ৰাজধানী এক্সপ্ৰেছ আৰু শৰাইঘাট এক্সপ্ৰেছকে ধৰি কেইবাখনো ৰে'লগাড়ীৰ নতুন আস্থানত অনুমোদন জনাইছে। সেই অনুসৰি ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰেৰে ডিব্ৰুগড় আৰু নতুন দিল্লীৰ মাজত চলাচল কৰা ২০৫০৫ আৰু ২০৫০৬ ৰাজধানী এক্সপ্ৰেছ দুখন এতিয়াৰে পৰা ধেমাজি ষ্টেচনত ৰখোৱা ব্যৱস্থা কৰা হৈছে। ৰে'ল বোৰ্ডে জনোৱা অনুমোদন মৰ্মে অহা ৬ ফেব্ৰুৱাৰীৰ পৰা ডিব্ৰুগড়ৰ পৰা যাত্ৰা কৰা এই ৰে'লগাড়ীখন নিশা ১০ বাজি ৪২ মিনিটত ২ মিনিটৰ বাবে ধেমাজি ষ্টেচনত ৰখোৱা হ'ব। সেইদৰে নতুন দিল্লীৰ পৰা ২০৫০৬ ৰাজধানী এক্সপ্ৰেছখন মাজ নিশা ১ বাজি ২২ মিনিটত ২ মিনিটৰ বাবে ধেমাজি ষ্টেচনত ৰখোৱা হ'ব।

গুৱাহাটী আৰু লিডুৰ মাজত চলাচল কৰা ১৫৬০৩ আৰু ১৫৬০৪ এক্সপ্ৰেছ দুখন ৬ ফেব্ৰুৱাৰীৰ পৰা কমাৰবন্ধা আলি ষ্টেচনত ২ মিনিটৰ বাবে ৰখোৱাৰ ব্যৱস্থা কৰা হৈছে।

গুৱাহাটী আৰু হাওৰাৰ মাজত চলাচল কৰা ১২৩৪৫ আৰু ১২৩৪৬ নম্বৰৰ শৰাইঘাট এক্সপ্ৰেছ অহা ৬ ফেব্ৰুৱাৰীৰ পৰা গোৱালপাৰা ষ্টেচনত ২ মিনিটৰ বাবে ৰখোৱা হ'ব। একেদৰে শিলঘাট টাউন আৰু তাম্বৰমৰ মাজত চলাচল কৰা ১৫৬২৯ আৰু ১৫৬৩০ ৰে'লগাড়ীখনো ১৩ ফেব্ৰুৱাৰীৰ পৰা নলবাৰী ষ্টেচনত ২ মিনিটতকৈ ৰখোৱাৰ ব্যৱস্থা কৰা হৈছে।

০০০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি লখিমপুৰৰ শ্ৰীশ্ৰী মাধৱদেৱ কলাক্ষেত্ৰ পৰিসৰত শ্ৰীশ্ৰী বদলা পদ্মআতা কলাতীৰ্থৰ নৱনিৰ্মিত অত্যাধুনিক প্ৰেক্ষাগৃহ আনুষ্ঠানিকভাৱে উদ্বোধন কৰিব। উল্লেখযোগ্য যে ৰাজ্য চৰকাৰৰ ২২ কোটি টকা পুঁজিৰে নিৰ্মিত প্ৰেক্ষাগৃহটিত আধুনিক প্ৰযুক্তিৰ বিভিন্ন সা-সুবিধা সংযোজন কৰা হৈছে। ৭০০ খন আসন যুক্ত প্ৰেক্ষাগৃহটিত শব্দ নিয়ন্ত্ৰণ আৰু মঞ্চ আলোকৰ অত্যাধুনিক ব্যৱস্থা, যন্ত্ৰচালিত আঁৰকাপোৰ, বিশাল এল ই ডি ক্ৰীণ আদিৰ ব্যৱস্থা কৰা হৈছে। এই উপলক্ষে সন্ধিয়া পাঁচ বজাৰ পৰা সাংস্কৃতিক অনুষ্ঠানৰ আয়োজন কৰা হৈছে।

০০০০০০

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি লখিমপুৰ জিলাৰ বিহপুৰীয়া বিধানসভা সমষ্টিত আনুষ্ঠানিকভাৱে মহিলা উদ্যমিতা আঁচনিৰ ধন বিতৰণ কৰিব। সমষ্টিটোৰ আত্মসহায়ক গোটৰ ৩০ হাজাৰৰো অধিক মহিলালৈ মুখ্যমন্ত্ৰী ড° শৰ্মাই ১০ হাজাৰ টকাকৈ আঁচনিৰ প্ৰথম কিস্তিৰ ধন আগবঢ়াব। ইয়াৰ লগতে মুখ্যমন্ত্ৰীগৰাকীয়ে জিলাখনত কেইবাটাও প্ৰকল্পৰ উদ্বোধন কৰাৰ লগতে আধাৰশিলা স্থাপন কৰিব। তেওঁ নাৰায়ণপুৰত ৫৭ কোটি টকা ব্যয়সাপেক্ষ নিৰ্মিত মাধৱদেৱ বিশ্ববিদ্যালয়ৰ নতুন চৌহদ উদ্বোধন কৰিব। মুখ্যমন্ত্ৰীগৰাকীয়ে তাতিবাহাৰত পিছলা ক্ৰীড়া সন্থা খেলপথাৰত ষ্টেডিয়াম মুকলি কৰিব। এই প্ৰকল্পৰ বাবে ৰাজ্য চৰকাৰে ১১ কোটি টকা ব্যয় কৰিছে। ইয়াৰ লগতে ড° শৰ্মাই নাৰায়ণপুৰত শ্ৰীশ্ৰী ধুৱাহাট বেলগুড়ি সত্ৰৰ আন্তঃগাঁথনি উন্নয়নৰ আধাৰশিলা স্থাপন কৰিব। এই প্ৰকল্পৰ বাবে চৰকাৰে ২০ লাখ টকা ধাৰ্য্য কৰিছে।

শিৱসাগৰ জিলাত মুখ্যমন্ত্ৰীৰ উপস্থিতিত কাইলৈ হ'বলগীয়া মহিলা উদ্যমিতা আঁচনিৰ চেক বিতৰণ কাৰ্যসূচীৰ বাবে প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ হৈছে। ঐতিহাসিক তলাতল ঘৰ প্ৰাংগনত হ'বলগীয়া এই অনুষ্ঠানৰ প্ৰস্তুতিৰ বুজ ল'বলৈ কালি জিলাখনৰ আয়ুক্ত মৃদুল যাদৱে সভাথলী পৰিদৰ্শন কৰে। তেওঁ বিভাগীয় বিষয়াসকলৰ সৈতে এই বিষয়ে মত-বিনিময় কৰে।

০০০০০০

**সমাপ্ত**